# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 07-07-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
-------------------

১। লামডিং-বদৰপুৰ পাহাৰ ৰে'ল লাইনত পুনৰ ভূমিস্খলনৰ ফলত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ কেইবাখনো ৰে'ল বাতিল।

২। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ কোকৰাঝাৰত বিভিন্ন কল্যাণকামী আঁচনিৰ পৰ্যালোচনা বৈঠকত অধ্যক্ষতা।

৩। উত্তৰ-পূৰ্বাঞ্চলৰ যুৱক-যুৱতীসকলক সামুদ্ৰিক খণ্ডত কৰ্মসংস্থাপনৰ সুবিধা প্ৰদানৰ বাবে চৰকাৰে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ প্ৰকাশ।

৪। শৰাইঘাটত ব্ৰহ্মপুত্ৰৰ ওপৰত দ্বিতীয়খন ৰে'লৰ দলং নিৰ্মাণৰ কাম অহা ছেপ্তেম্বৰত আৰম্ভ।

*আৰু*

৫। উইম্বলডন টেনিছ প্ৰতিযোগিতাত ভাৰতৰ যুকি ভাম্ব্ৰি আৰু ৰবাৰ্ট গালোৱেৰ যুটী পুৰুষৰ ডাবলছৰ তৃতীয় ৰাউণ্ডত অৱতীৰ্ণ।

ooooo

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ লামডিং-বদৰপুৰ পাহাৰ ৰে'ল লাইনৰ মুপা-দিহাখো ষ্টেচনৰ মাজত আজি পুৱাৰ ভাগত হোৱা ভূমিস্খলনৰ ফলত কেইবাখনো ৰে'ল বাতিল কৰা হৈছে। ভূমিস্খলনৰ বাবে আজি পুৱা গুৱাহাটীৰ পৰা শিলচৰ অভিমুখী ৰে'লখন পুনৰ গুৱাহাটীলৈ ঘূৰাই অনাৰ লগতে শিলচৰৰ পৰা গুৱাহাটী অভিমুখী যাত্ৰীবাহী ৰে'লখনো বদৰপুৰৰ পৰাই ঘূৰাই নিয়া হয়। আমাৰ শিলচৰৰ সংবাদদাতাই জনোৱা মতে পাহাৰৰ পৰা শিল আৰু মাটি খহি আহি ৰে'ল পথছোৱা বন্ধ হৈ পৰাত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ ছখন ৰে'ল আংশিকভাৱে বাতিল, আঠখন ৰে'ল সম্পূৰ্ণৰূপে বাতিল, তিনিখন ৰে'লৰ সময় পুনৰ নিৰ্ধাৰণ কৰাৰ লগতে চাৰিখন ৰে'ল নিয়ন্ত্ৰিত কৰা হৈছে। বাতিল কৰা ৰে'লসমূহৰ ভিতৰত গুৱাহাটী-শিলচৰ এক্সপ্ৰেছ, ৰঙিয়া-শিলচৰ এক্সপ্ৰেছ, শিলচৰ-গুৱাহাটী এক্সপ্ৰেছ, গুৱাহাটী-দুৰ্লভচৰা এক্সপ্ৰেছ, শিলচৰ-নাহৰলগুন এক্সপ্ৰেছ, দুৰ্লভচৰা-গুৱাহাটী এক্সপ্ৰেছ আৰু নাহৰলগুন-শিলচৰ এক্সপ্ৰেছ আছে। লামডিং-বদৰপুৰ ৰে'লপথত তৃতীয়বাৰৰ বাবে হোৱা ভূমিস্খলনত এই ৰে'লপথ বন্ধ হোৱাত যাত্ৰীসকলে দুৰ্ভোগ ভুগিবলগীয়া হৈছে। যাত্ৰীসকলৰ সুবিধাৰ্থে গুৱাহাটী, লামডিং, শিলচৰ, বদৰপুৰ আৰু আগৰতলা ষ্টেচনত হেল্প ডেস্ক মুকলি কৰাৰ লগতে আবদ্ধ যাত্ৰীসকলৰ বাবে খাদ্যৰ ব্যৱস্থা কৰা হৈছে। উল্লেখযোগ্য যে, যোৱা ২৩ জুনত জাতিংগা-লামপুৰ আৰু নিউ হাফলঙৰ মাজত হোৱা ভূমিস্খলনৰ বাবে এই অংশত ছদিনৰ বাবে ৰে'লসেৱা বন্ধ হৈ

আছিল। ৩০ জুনত পুনৰ ৰে'লসেৱা আৰম্ভ হয় যদিও যোৱা ৩ জুলাইত পুনৰ মুপাৰ সমীপত ভূমিস্খলন হোৱাত ৰে'লসেৱা ব্যাহত হৈ পৰে। পৰহি মাইবং-দাওতুহাজা আৰু মুপা-দিহাখোৰ মাজত ৰে'ল পথৰ দুটা স্থানত ভূমিস্খলন হোৱাৰ পাছত কালি পুনৰ ৰে'লসেৱা আৰম্ভ কৰা হৈছিল।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কোকৰাঝাৰৰ জিলা আয়ুক্ত কাৰ্যালয়ত ৰাজ্য চৰকাৰৰ বিভিন্ন কল্যাণকামী আঁচনিসমূহৰ এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। ড০ শৰ্মাই বি টি আৰৰ অন্তৰ্গত কোকৰাঝাৰ, বাওখুংগ্ৰী, দোতমা, গোসাইগাঁও আৰু পৰ্বতঝৰা সমষ্টিত চৰকাৰৰ কেইবাখনো উন্নয়নমূলক আঁচনিৰ ফলপ্ৰসূ ৰূপায়ণ সন্দৰ্ভত সংশ্লিষ্ট বিষয়াসকলৰ সৈতে আলোচনা কৰে। জিলাখনৰ কেতবোৰ ভৱিষ্যতমুখী পৰিকল্পনাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে কোকৰাঝাৰত অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ত হিতাধিকাৰীৰ সংখ্যা এক লাখ ৪০ হাজাৰলৈ বৃদ্ধি কৰা হ'ব। তদুপৰি জিলাখনৰ পাঁচটা সমষ্টিত নতুনকৈ চাৰি হাজাৰ লোকক ৰেচন কাৰ্ড প্ৰদান কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বি টি আৰত বিগত পাঁচ বছৰত চৰকাৰে শান্তি স্থাপন কৰিলে আৰু অনাগত পাঁচ বছৰত তেওঁলোকে এইখণ্ডত সমতা, বিকাশ আৰু প্ৰগতিৰ হকে কাম কৰিব। ড০ শৰ্মাই আজি চৰাইখোলা অতিথিগৃহত বিভিন্ন দল-সংগঠনৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ সমস্যাসমূহ শীঘ্ৰেই সমাধান কৰাৰ আশ্বাস দিয়ে।

মুখ্যমন্ত্ৰীগৰাকীয়ে কোকৰাঝাৰত বিজেপিৰ এখন কৰ্মী সন্মিলনত অংশগ্ৰহণ কৰে। এই উপলক্ষে দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে জিলাখনৰ কৰ্মকৰ্তাসকলক তৃণমূল পৰ্যায়ৰ পৰা দলটোৰ সাংগঠনিক ভেটি শক্তিশালী কৰিবলৈ আহ্বান জনায়।

ooooo

ধুবুৰী আৰু গোৱালপাৰা জিলাৰ দখলীকৃত ভূমিত কাইলৈৰ পৰা উচ্ছেদ চলোৱাৰ বাবে প্ৰশাসনে ব্যৱস্থা গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰে। সেই অনুসৰি ধুবুৰী জিলাৰ চাপৰত কাইলৈ উচ্ছেদ চলোৱা হ'ব। একেদৰে ১০ জুলাইত গোৱালপাৰাৰ পাইকান বনাঞ্চলত উচ্ছেদ অভিযান চলোৱা হ'ব। গোৱালপাৰা জিলা বন সংমণ্ডল বিষয়া তেজছ মৰিস্বামীয়ে প্ৰকাশ কৰা মতে ২০২৩ বৰ্ষৰ পৰা এতিয়ালৈ জিলাখনৰ চাৰিটা বনাঞ্চলিক এলেকাৰ অন্তৰ্গত সংৰক্ষিত বনাঞ্চলৰ ৬৫০ হেক্টৰ ভূমি দখলমুক্ত কৰা হৈছে। ইয়াৰে ২০০ হেক্টৰ ভূমিত জনবসতি থকাৰ লগতে বাকী ভূমিত বিভিন্ন শস্যৰ খেতি কৰা হৈছিল। শেহতীয়াকৈ কৃষ্ণাই বনাঞ্চলিক এলেকাৰ অন্তৰ্গত পাইকান সংৰক্ষিত বনাঞ্চলৰ ১৪০ হেক্টৰ ভূমি দখলমুক্ত কৰাৰ বাবে বন বিভাগে ব্যৱস্থা লৈছে। অঞ্চলটোত থকা এহেজাৰ ৮০টা পৰিয়ালক যোৱা বছৰৰ ডিচেম্বৰত অঞ্চলটো খালী কৰাৰ বাবে জাননী দিয়া হৈছিল। শেহতীয়াকৈ অহা ১০ জুলাইৰ পূৰ্বে এই লোকসকলক অঞ্চলটো খালী কৰিবলৈ জাননী দিয়া হৈছিল যদিও খালী নকৰিলে শীঘ্ৰেই উচ্ছেদ অভিযান চলোৱা হ'ব বুলি বন বিভাগে প্ৰকাশ কৰিছে।

ooooo

উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক বিকাশ সুদৃঢ় কৰাৰ উপৰি সামুদ্ৰিক খণ্ডত অঞ্চলটোৰ যুৱক-যুৱতীসকলক কৰ্মসংস্থাপনৰ সুবিধা প্ৰদানৰ বাবে চৰকাৰে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে। গুৱাহাটীত আজি এখন সংবাদমেলত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই কথা প্ৰকাশ

কৰি কয়, যে ডিব্ৰুগড়ত স্থাপন হ'বলগীয়া সামুদ্ৰিক উৎকৰ্ষতা কেন্দ্ৰত অনাগত ১০ বছৰত ৫০ হাজাৰ ছাত্ৰ-ছাত্ৰীক প্ৰশিক্ষণ দিয়া হ'ব। তেওঁ লগতে কয়, যে নদী জলপথেৰে জাহাজৰ বছৰজোৰা নিৰৱচ্ছিন্ন আৰু সুচন চলাচলৰ বাবে নদী খননৰ ব্যৱস্থা কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰে পাণ্ডু, শিলঘাট, বিশ্বনাথ আৰু বগীবিলত লাইট হাউছ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণৰ কথা উল্লেখ কৰি শ্ৰী সোণোৱালে কয়, যে সময়োচিত বতৰ নিৰীক্ষণ ব্যৱস্থাৰ সৈতে ইয়াক একত্ৰিত কৰা হ'ব। ইয়াৰ ফলত পৰ্যটনৰ প্ৰসাৰৰ লগতে অসমৰ স্থানীয় বতৰৰ পূৰ্বাভাষ দিয়াটো সহায়ক হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে বিশ্বৰ আগশাৰীৰ লজিষ্টিক কোম্পানী ৰেনাছে চলিত বৰ্ষতে ব্ৰহ্মপুত্ৰ আৰু বৰাকত পৰিৱেশ অনুকূল নাও চলোৱা আৰম্ভ কৰিব বুলি জানিবলৈ দিয়ে। যাত্ৰী আৰু মালবাহী জাহাজ চলাচল বৃদ্ধিৰ বাবে জলপথসমূহক উন্নত কৰিবলৈ উত্তৰ-পূৰ্বাঞ্চলত ৮৫ টা কমিউনিটি জেটি নিৰ্মাণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলিও শ্ৰী সোণোৱালে প্ৰকাশ কৰে।

*(বাইট ঃ সৰ্বানন্দ সোণোৱাল)*

সংবাদমেলত শ্ৰী সোণোৱালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিগত ১১ বছৰত উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে ছয় লাখ কোটিৰো অধিক আৰ্থিক অনুদান প্ৰদান কৰা হৈছে বুলি উল্লেখ কৰে। শ্ৰী মোদীৰ **পৰিবহণৰ জৰিয়তে পৰিৱৰ্তন**ৰ মূলমন্ত্ৰই উত্তৰ-পূৰ্বাঞ্চলক সমৃদ্ধ কৰি তোলাৰ লগতে এক্ট-ইষ্ট নীতিৰ জৰিয়তে সমগ্ৰ অঞ্চলটো বৰ্তমান দক্ষিণ-পূব এছিয়াৰ কেন্দ্ৰবিন্দু হৈ পৰিছে বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০

শৰাইঘাটত ব্ৰহ্মপুত্ৰৰ ওপৰত দ্বিতীয়খন ৰে'লৰ দলং নিৰ্মাণৰ কাম অহা ছেপ্তেম্বৰত আৰম্ভ হ'ব। দুখলপীয়া ৰে'লৰ দলংখনত দ্বৈত ৰে'লপথ আৰু তিনিটা লেনযুক্ত পথ থাকিব। ৰে'ল বিভাগে ইতিমধ্যে ইয়াৰ বাবে নিবিদা প্ৰক্ৰিয়া আৰম্ভ কৰিছে আৰু এই কাম সম্পাত হোৱাৰ পাছতে দলং নিৰ্মাণৰ কাম আৰম্ভ হ'ব বুলি উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য জনসম্পৰ্ক ৰক্ষী বিষয়া কপিঞ্জল কিশোৰ শৰ্মাই এই বিষয়ে প্ৰকাশ কৰে।

২০২৯ চনৰ ডিচেম্বৰত এই দলংখন নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে বুলি বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে। আজ্ঞাঠুৰি আৰু কামাখ্যা সংযোগী এই ৰে'ল দলংখনৰ নিৰ্মাণৰ ব্যয় এহেজাৰ ৪৭৭ কোটি টকা ধাৰ্য কৰা হৈছে বুলি তেওঁ কয়। ১ দশমিক ৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ, ১২টা খুঁটাযুক্ত দলংখন মুকলি হ'লে ৰাজ্যৰ ৰে'ল যোগাযোগৰ ক্ষেত্ৰত থকা অসুবিধা দূৰ হ'ব বুলি শ্ৰীশৰ্মাই আশা প্ৰকাশ কৰে।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি ৭৬ সংখ্যক বন মহোৎসৱৰ সামৰণি অনুষ্ঠানৰ আয়োজন কৰা হয়। মানস ৰাষ্ট্ৰীয় উদ্যানত যোৱা ১ জুলাইৰ পৰা অনুষ্ঠিত এই মহোৎসৱৰ আজি সামৰণি উপলক্ষে ৰাষ্ট্ৰীয় উদ্যানখনৰ বাঁহবাৰী সংমণ্ডলৰ মুখ্য প্ৰৱেশদ্বাৰৰ পৰা সজাগতা সমদল উলিওৱা হয়। সমদলত অংশ লোৱা লোকসকলে ৰাষ্ট্ৰীয় উদ্যানখন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণৰ বাবে শ্লোগান দিয়ে।

ৰাজ্য চৰকাৰৰ উদ্যোগত দক্ষিণ কামৰূপৰ কুলশীত আজি ৭৬ সংখ্যক বন মহোৎসৱৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত হয়। যোৱা ১ জুলাইৰ পৰা অনুষ্ঠিত এই কাৰ্যসূচীত আজি বন আৰু পৰিবেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে অংশগ্ৰহণ কৰে। পশ্চিম কামৰূপ বন সংমণ্ডলৰ কুলশী আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত আয়োজিত অনুষ্ঠানৰ আৰম্ভণিতে গছপুলি ৰোপন আৰু শিক্ষাৰ্থীসকলৰ মাজত গছপুলি বিতৰণ কৰা

হয়। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি বন মন্ত্ৰীগৰাকীৰ উপস্থিতিত তিয়ামাৰী থানত এখন মুকলি সভা অনুষ্ঠিত হয়। এই সভাত পৰিবেশ সম্পৰ্কীয় চাৰিখন গ্ৰন্থ উন্মোচন আৰু এটা পোৰ্টেল মুকলি কৰা হয়।

৭৬ সংখ্যক বন মহোৎসৱৰ সৈতে সংগতি ৰাখি আজি উত্তৰ লখিমপুৰ বন সংমণ্ডলত কাৰ্যসূচী অনুষ্ঠিত হয়। এই উপলক্ষে পৰিবেশ সুৰক্ষা আৰু গছপুলি ৰোপনৰ প্ৰয়োজনীয়তা সম্পৰ্কে সজাগতা সৃষ্টি কৰা হয়।

০০০০০

মানস ৰাষ্ট্ৰীয় উদ্যান বছৰৰ প্ৰতিটো দিনেই পৰ্যটকৰ বাবে মুকলি কৰি ৰখাৰ পৰিকল্পনা কৰা হৈছে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে বি টি আৰৰ পৰ্যটন বিভাগে আলোচনা কৰিছে। আজি উদ্যানৰ দাঁতিকাষৰীয়া গোলাগাঁও গ্ৰীণ ভিলেজত আদৰণি তোৰণৰ আধাৰশিলা স্থাপন কৰি বি টি আৰৰ পৰ্যটন বিভাগৰ কাৰ্যবাহী সদস্য ধৰ্মনাৰায়ণ দাসে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে বি টি আৰত শান্তিৰ পৰিবেশৰ সূচনা হোৱাৰ ফলত উদ্যানখনলৈ পৰ্যটকৰ আগমনো বৃদ্ধি পাইছে। উল্লেখযোগ্য যে বাক্সা জিলাৰ গোলাগাঁৱক গ্ৰীণ ভিলেজ হিচাপে গঢ়ি তোলাৰ বাবে ৪০ লাখ টকা আবণ্টন দিয়া হৈছে।

০০০০০

উত্তৰ-পূব উন্নয়ন মন্ত্ৰালয়ে অসমৰ শিক্ষা ক্ষেত্ৰৰ উন্নয়নৰ বাবে তিনিটা প্ৰকল্পৰ বিস্তৃত প্ৰকল্প প্ৰতিবেদনত অনুমোদন জনাইছে। মন্ত্ৰালয়ৰ উত্তৰ-পূব বিশেষ আন্তঃগাঁথনি উন্নয়ন আঁচনিৰ আন্তঃমন্ত্ৰালয় সমিতিৰ ৫৭ সংখ্যক বৈঠকত এই অনুমোদন জনোৱা হয়। এই প্ৰকল্পসমূহৰ বাবে ১২৩ কোটি ৮৪ লাখ টকা ব্যয় কৰা হ'ব। এই প্ৰকল্পসমূহৰ অধীনত ৰাজ্যখনত বিদ্যালয় শিক্ষা আৰু সাক্ষৰতাৰ ক্ষেত্ৰত বিভিন্ন সময়োপযোগী ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

০০০০০

প্ৰসিদ্ধ বুৰঞ্জীবিদ, পূৰ্বৰ কটন কলেজৰ প্ৰাক্তন অধ্যক্ষ তথা স্তম্ভ লেখক উদয়াদিত্য ভৰালীৰ শেষকৃত্য আজি ভূতনাথ শ্মশানত ভালেসংখ্যক গুণমুগ্ধৰ উপস্থিতিত সম্পন্ন কৰা হয়। ইয়াৰ আগেয়ে আজি পুৱা দক্ষিণ শৰণীয়াৰ বাসগৃহৰ পৰা শিক্ষাবিদগৰাকীৰ নশ্বৰ দেহ কটন বিশ্ববিদ্যালয়ৰ চৌহদলৈ নিয়া হয়। বিশ্ববিদ্যালয় চৌহদত কেইবাগৰাকীও শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীসকলে তেওঁৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। ইয়াৰ পাছতে ভূতনাথ শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে কালি পুৱতি নিশা প্ৰায় ৩ বজাত শিক্ষাবিদগৰাকীৰ দেহাৱসান ঘটে। প্ৰসিদ্ধ বুৰঞ্জীবিদ গৰাকীয়ে শৈক্ষিক ক্ষেত্ৰৰ লগতে নানান সামাজিক কামত সক্ৰিয় ভূমিকা পালন কৰিছিল। তেওঁ ১৯৬৮ চনৰ পৰা ২০০৩ চনলৈ কটন কলেজৰ অধ্যক্ষ পদত কাৰ্যনিৰ্বাহ কৰিছিল। অসম সাহিত্য সভাৰ বিষ্ণুপ্ৰসাদ ৰাভা বঁটা লাভ কৰা ভৰালীয়ে কিছুদিন পূৰ্বে পৰাগ কুমাৰ দাস সাংবাদিকতা বঁটাও লাভ কৰিছিল। ২০০৪ চনত অসম সাহিত্য সভাৰ বুৰঞ্জী অধিৱেশন তেওঁ সঞ্চালনা কৰিছিল। ১৯৪৭ চনত মৰাণত জন্মগ্ৰহণ কৰা এইগৰাকী বিশিষ্ট শিক্ষাবিদৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৭৮ বছৰ।

০০০০০

গোলাঘাট জিলাৰ বিভিন্ন অঞ্চল শেহতীয়াকৈ বানৰ কবলত পৰিছে। জিলাখনৰ সৰুপথাৰ, খুমটাই, নুমলীগড়, মৰঙীকে ধৰি দুকুৰিৰো অধিক গাঁও জলমগ্ন হৈছে। ধনশিৰি নৈৰ বাঢ়নী পানীয়ে বিস্তীৰ্ণ অঞ্চল বুৰাই পেলাইছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিয়ে। আজি বিধায়ক বিশ্বজিৎ ফুকনে সৰুপথাৰ অঞ্চলৰ

বান ক্ষতিগ্ৰস্ত ৰাইজৰ অৱস্থাৰ বুজ লয়। গোলাঘাট জিলা প্ৰশাসনে ঠায়ে ঠায়ে শিবিৰ মুকলি কৰি সাংহায্য বিতৰণৰ ব্যৱস্থা কৰিছে।

০০০০০

ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ অধীনত আজি লখিমপুৰ জিলাৰ ধলপুৰ, পানীগাঁও, দ'লহাট, নাওবৈচা আৰু বিহপুৰীয়া কৃষি চক্ৰত উন্নতমানৰ শালিধানৰ বীজ সিঁচা হয়। সংশ্লিষ্ট কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়া, কৃষি সম্প্ৰসাৰণ সহায়কৰ লগতে কেইবাগৰাকী কৃষকে এই বীজ সিঁচা কাৰ্যত অংশ লয়। ৰাজ্যৰ বানত ক্ষতিগ্ৰস্ত কৃষকসকলক সকাহ দিয়াৰ উদ্দেশ্যে কৃষি বিভাগৰ সামূহিক কঠিয়াতলি স্থাপনৰ বিশেষ কাৰ্যসূচীৰ অধীনত এই বীজ সিঁচা হয়। ইয়াৰ জৰিয়তে কৃষকসকলে উন্নত প্ৰজাতিৰ কঠিয়া বিনামূলীয়াকৈ লাভ কৰিব।

০০০০০

চুবুৰীয়া ৰাজ্য নাগালেণ্ডত হোৱা ধাৰাসাৰ বৰষুণৰ ফলত সৃষ্টি হোৱা বানৰ সময়ত বিদ্যুৎস্পৃষ্ট হৈ কমেও তিনিজন লোকৰ মৃত্যু হয়। ডিমাপুৰৰ কুড়াগাঁৱৰ এটা জলমগ্ন আৰক্ষী আৱাসত কালি এটা ইনভাৰ্টাৰত বিদ্যুৎস্পৃষ্ট হৈ এগৰাকী মহিলাৰ মৃত্যু হয়। ৰাজ্যখনত কেইবাদিনো ধৰি হৈ থকা ধাৰাসাৰ বৰষুণৰ ফলত ভালেমান অঞ্চল প্লাৱিত হৈছে আৰু বহু লোকে নিজৰ বাসগৃহ এৰি আন ঠাইত আশ্ৰয় ল'বলগীয়া হৈছে। ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীয়ে আবদ্ধ লোকসকলক সুৰক্ষিত স্থানলৈ লৈ যোৱাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। ৰাজ্যখনৰ ঠায়ে ঠায়ে ভূমিস্খলন আৰু কৃত্ৰিম বানৰ ফলতো সমস্যাৰ সৃষ্টি হৈছে। ২৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ এচোৱা বোকাময় হৈ পৰাৰ ফলত যান-বাহনৰ চলাচলত অসুবিধাৰ সৃষ্টি হৈছে। ডিমাপুৰ বিমান বন্দৰৰ পৰা কালি সকলো বাণিজ্যিক বিমানৰ উৰণ প্ৰতিকূল বতৰৰ বাবে বাতিল কৰা হয়।

০০০০০

উইম্বলডন টেনিছ প্ৰতিযোগিতাত আজি ভাৰতৰ যুকি ভামব্ৰি আৰু তেওঁ আমেৰিকাৰ সহযোগী ৰবাৰ্ট গালোৱেৰ যুটিটো পুৰুষৰ ডাবলছৰ তৃতীয় ৰাউণ্ডত স্পেইনৰ মাৰ্ছেল গ্ৰেনোলাৰ্জ আৰু আৰ্জেণ্টিনাৰ হ'ৰাচিঅ' জেবাল'চৰ যুটীৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

ইপিনে যোৱাবাৰৰ বিজয়ী কাৰ্লোছ আলকাৰেজ আৰু বিশ্বৰ শীৰ্ষস্থানীয় মহিলা টেনিচ তাৰকা এৰিণা চাবালেংকাই প্ৰতিযোগিতাৰ উইম্বলডনৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। পুৰুষৰ ছিংগলছত প্ৰি কোৱাৰ্টাৰ ফাইনেলত হোৱা জয়ৰ সুবাদত টেইলৰ ফ্ৰীটজ্, কেমেৰুন নৰিও আৰু কাৰেন খাচানোভেও প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেললৈ আগবাঢ়িছে। ইপিনে, আজি প্ৰি কোৱাৰ্টাৰ ফাইনেলৰ আন এখন খেলত ন'ভাক জ'ক'ভিচ - এলেক্স ডি মেনৰৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। আন এখন খেলত য়ান্নিক চিনাৰে- গ্ৰীগৰ দিমিট্ৰভৰ বিৰুদ্ধে খেলিব। মহিলাৰ ছিংগলছৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত ইগা স্বাতেকে-ক্লাৰা ট'ছেনৰ বিৰুদ্ধে আৰু মিৰা এনদ্ৰিভাই -এমা নৱাৰোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

ধেমাজি জিলাৰ জোনাইৰ লাচিত নগৰ নিবাসী সমাজ হিতৈষী ব্যক্তি কিশোৰ ভাগৱতীৰ আজি দুপৰীয়া ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৫৮ বছৰ। প্ৰয়াত ভাগৱতী জোনাইৰ পূব মণ্ডল বিজেপিৰ উপ-সভাপতিৰ দায়িত্বত আছিল।

০০০০০

সমাপ্ত